# EAM inaugurates the 15th CII-EXIM Bank Africa-India Conclave

September 22, 2020

---

## ভাৰতৰ বৈদেশিক পৰিক্ৰমা মন্ত্ৰীৰ দ্বাৰা ১৫তম চি.আই.আই.-এক্সিম বেংক আফ্ৰিকা-ভাৰত আলোচনাচক্ৰৰ উদ্বোধন

ছেপ্টেম্বৰ 22, 2020

ভাৰতৰ বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড° এচ. জয়শংকৰ, ভাৰত-আফ্ৰিকা প্ৰকল্প অংশীদাৰিত্বৰ ১৫তম চি.আই.আই.- এক্সিম বেংক ডিজিটেল কনক্লেভৰ ২২ ছেপ্টেম্বৰ তাৰিখে নতুন দিল্লীত ভিডিঅ' কনফাৰেন্সৰ দ্বাৰা মুকলি কৰে।

উদ্বোধনী অনুষ্ঠানৰ সন্মানীয় অতিথি আছিল কংগোৰ প্ৰধানমন্ত্ৰী এইচ.ই. মিষ্টাৰ ছিলভেষ্ট্ৰেলুংগা, মৰিচিয়াছৰ উপ-প্ৰধানমন্ত্ৰী এইচ.ই. ড° মহম্মদ আনোৱাৰ হুচনু, কেনিয়াৰ বৈদেশিক পৰিক্ৰমাৰ কেবিনেট সচিব এইচ.ই. ৰেচেল আৱৌৰ অমাম' আৰু নাইজেৰিয়াৰ উদ্যোগ, বাণিজ্য আৰু বিনিয়োগ মন্ত্ৰী এইচ.ই. অটুনবা নিয়ি আদেবায়'।

ড° জয়শংকৰে আফ্ৰিকা-ভাৰত সংলগ্নতাৰ এক বিস্তৃত ধাৰণা দিয়ে। ভাৰতৰ স্বাধীনতা সংগ্ৰাম আৰু আফ্ৰিকাৰ উপনিবেশবাদ আৰু বৈষম্যতাৰ পৰা মুক্তি কামনা কৰাৰ সময়ৰ পৰা আৰম্ভ কৰি, তেওঁ ভাৰতৰ আফ্ৰিকাৰ প্ৰতি দায়বদ্ধতাক কেনেদৰে চাৰিটা স্তম্ভ, ক্ৰমে, উন্নয়নমূলক অংশীদাৰিত্ব, বাণিজ্য আৰু বিনিয়োগ, শক্তিশালী পাৰস্পৰিক সম্পৰ্ক, বিশেষকৈ শিক্ষাৰ খণ্ডত আৰু যুৱ আফ্ৰিকানসকলৰ ক্ষমতা নিৰ্মাণ আৰু শেহতীয়াকৈ প্ৰতিৰক্ষা আৰু সাগৰীয় সুৰক্ষাৰ দ্বাৰা প্ৰতিনিধিত্ব কৰা হৈছে। তেওঁ উল্লেখ কৰে যে ভাৰতে মুঠ ১১.৬ আমেৰিকান ডলাৰৰ ৩৭খন আফ্ৰিকান দেশত ১৯৪টা উন্নয়নমূলক প্ৰকল্প সম্পাদন কৰিছিল আৰু সাম্প্ৰতিক সময়ত ২৯ খন দেশত ৭৭টা অতিৰিক্ত প্ৰকল্প সম্পূৰ্ণ কৰিছে আৰু এই প্ৰকল্পসমূহ আন্ত:গাঁথনিৰ পৰা তথ্য আৰু যোগাযোগ প্ৰযুক্তিলৈকে আৰু শক্তি উৎপন্নৰ পৰা জল আৰু জলসিঞ্চনৰ বাবে বিতৰণলৈকে, ৰেলপথৰ পৰা ৰাস্তালৈকে, কৃষিৰ পৰা চেনীকললৈকে, বিভিন্ন প্ৰকাৰৰ। তেওঁ এই কথাটো জোৰ দিয়ে যে ভাৰতে আফ্ৰিকালৈ সৰ্বোত্তম উন্নয়নমূলক অভিজ্ঞতাৰ সংযোজন কৰিছে আৰু ভাৰতৰ অংশীদাৰিত্বই আফ্ৰিকাৰ স্থানীয় সম্প্ৰদায়সমূহৰ পৰা শোষণ কৰাৰ পৰিৱৰ্তে তেওঁলোকক অধিক শক্তিশালী কৰাৰ ওপৰতহে গুৰুত্ব আৰোপ কৰিছে।

বৈদেশিক পৰিক্ৰমা মন্ত্ৰীগৰাকীয়ে ভাৰতৰ ডিজিটেল যাত্ৰাৰ কথাও কয় যি শিক্ষাৰ যোগান, স্বাস্থ্য সেৱা আৰু কল্যাণৰ দ্বাৰা ভাৰতীয় নাগৰিকসকলক বহুধৰণে লাভান্বিত কৰিছে আৰু কেনেদৰে এই ব্যৱস্থা আফ্ৰিকাৰ ক্ষেত্ৰতো ব্যৱহাৰ কৰিব পাৰি সেইবিষয়ে উল্লেখ কৰে: ই-বিদ্যাভাৰতী আৰু ই-আৰোগ্যভাৰতীৰ জৰিয়তে আগশাৰীৰ শিক্ষা প্ৰতিষ্ঠান আৰু চিকিৎসালয়সমূহে ১৬খন আফ্ৰিকান দেশক টেলি-শিক্ষা আৰু টেলি-ঔষধ সেৱা প্ৰদান কৰিবৰ বাবে সংযোগ কৰিছে।

বৈদেশিক পৰিক্ৰমা মন্ত্ৰীগৰাকীয়ে মোজাম্বিকৰ গেছ ক্ষেত্ৰত ভাৰতৰ ৭ বিলিয়ন আমেৰিকান ডলাৰৰ শক্তি বিনিয়োগৰ কথা উল্লেখ কৰি জনাই যে ভাৰতীয় বিনিয়োগে কেনেদৰে আফ্ৰিকান দেশসমূহত শক্তি, খনন, বেঙ্কিং, বস্ত্ৰ উদ্যোগ আৰু আন খণ্ডসমূহৰ লগতে দক্ষিণ চুদান, উত্তৰ আৰু পশ্চিম আফ্ৰিকাত কৰা শক্তি বিনিয়োগৰ দ্বাৰা নিয়োগ আৰু সুযোগৰ সৃষ্টি কৰিছে। তেওঁ উল্লেখ কৰে ভাৰতে হাজাৰৰো অধিক

আফ্ৰিকান শিক্ষাৰ্থীক ভাৰতত বিভিন্ন বিষয়ত দীৰ্ঘম্যাদী আৰু হ্ৰস্বম্যাদী ডিগ্ৰী গ্ৰহণ কৰিবলৈ স্বাগতম জনাইছে; লগতে আফ্ৰিকাত থকা ভাৰতীয় বংশোদ্ভৱৰ সম্প্ৰদায়সমূহৰ আফ্ৰিকা মহাদেশৰ মানৱ মূলধনৰ আৰু আতিথ্যৰ প্ৰতি তেওঁলোকৰ অৱদানৰ কথাও উল্লেখ কৰে।

বৈদেশিক পৰিক্ৰমা মন্ত্ৰীগৰাকীয়ে প্ৰতিৰক্ষা আৰু সুৰক্ষাৰ সহযোগিতাৰ কথা উল্লেখ কৰি সামৰণি মাৰে যি একবিংশ শতিকাত ভাৰত আৰু আফ্ৰিকাৰ সম্পৰ্কত এক স্তম্ভৰ দৰে সমৰ্থন আগবঢ়াইছে: ভাৰতে বিভিন্ন আফ্ৰিকান দেশত স ষ্টাফ এণ্ড কমাণ্ড কলেজ স্থাপনত সহায় কৰিছিল আৰু হেজাৰোধিক বিষয়া আৰু সৈন্যক ভাৰতীয় সামৰিক প্ৰতিষ্ঠানসমূহত প্ৰশিক্ষণ প্ৰদান কৰিছিল। ভাৰতৰ আফ্ৰিকাত শান্তি-শৃংখলা বজাই ৰখাৰ প্ৰচেষ্টাক প্ৰশংসা কৰা হয় আৰু বৰ্তমান মানৱীয় সহায় আৰু দুৰ্যোগ সাহায্য (HADR) অভিযানসমূহৰ লগতে সাগৰীয় সুৰক্ষা এক নতুন সংযোজন।

আফ্ৰিকান নেতাসকলে ভাৰতে ক'ভিড-১৯ সম্পৰ্কীয় ঔষধসমূহ বিতৰণ কৰাত আৰু আফ্ৰিকান দেশসমূহলৈ চিকিৎসকৰ যোগান ধৰাৰ ক্ষেত্ৰত দেখুওৱা উদাৰতাক প্ৰশংসা কৰে। কিছুসংখ্যক মন্ত্ৰীয়ে তেওঁলোকৰ দেশৰ নিৰ্দিষ্ট প্ৰকল্প কিছুমানৰ বিস্তৃত ৰূপৰেখা দাঙি ধৰে যি ভাৰতীয় অনুদানৰ বা ভাৰত চৰকাৰৰ সুবিধাজনক ঋণৰ সহায়ত স্থাপন কৰা হৈছিল। তেওঁলোকে ভাৰতৰ দ্বাৰা আফ্ৰিকানসকলৰ বাবে আয়োজন কৰা ক্ষমতা নিৰ্মাণ কাৰ্যসূচীসমূহৰ কথাও কয়।

আফ্ৰিকান মন্ত্ৰীসকলে মহামাৰীৰ বিৰূপ প্ৰভাৱসমূহ, কেনেকৈ এই মহামাৰীৰ ফলত কিছুমান দেশত কেইবা বছৰৰ পিছত প্ৰথমটো মন্দাৱস্থাৰ সৃষ্টি কৰে সেই কথা উল্লেখ কৰাৰ উপৰিও, তেওঁলোকে ২০১৯ বৰ্ষত আফ্ৰিকান মহাদেশীয় বিনামূলীয়া বাণিজ্য চুক্তি (AfCFTA)ৰ ৰূপান্তৰকৰণত সন্তুষ্টি প্ৰকাশ কৰে আৰু তেওঁলোকৰ দেশত মহাদেশ-ব্যাপী বজাৰ স্থাপনৰ দ্বাৰা উন্নত বাণিজ্য, নিয়োজন আৰু বিনিয়োগৰ ক্ষেত্ৰত তেওঁলোকৰ প্ৰত্যাশাসমূহৰ কথা জনায়| বৈদেশিক পৰিক্ৰমা মন্ত্ৰীগৰাকীয়ে তেওঁৰ মন্তব্যত গুৰুত্বপূৰ্ণ এফটিএ চুক্তিৰ ৰূপান্তৰকৰণক স্বাগতম জনাই আৰু এই কথা সুঁৱৰে যে এই চুক্তি জুলাই ২০১৯ত নিগাৰত অনুষ্ঠিত হোৱা আফ্ৰিকান ইউনিয়ন ছামিটতেই কাৰ্যকৰী পৰ্যায়ত প্ৰৱেশ কৰিছিল, যাৰ কেইবাটাও অধিবেশন ভাৰত চৰকাৰৰ অনুদানৰ দ্বাৰা নিৰ্মিত আটকধুনীয়া মহাত্মা গান্ধী আন্ত:ৰাষ্ট্ৰীয় সমাবেশ কেন্দ্ৰত অনুষ্ঠিত হৈছিল।

চি.আই.আই. অধ্যক্ষ শ্ৰী উদয় কৌটক আৰু এক্সিম বেংকৰ পৰিচালন সঞ্চালক মিষ্টাৰ ডেভিদ ৰচকুইহা আৰু এই আলোচনাচক্ৰৰ আয়োজকসকলেও উদ্বোধনী অনুষ্ঠানটোত ভাষণ প্ৰদান কৰে। আফ্ৰিকা-ভাৰত আলোচনাচক্ৰখনি পৰৱৰ্তী দুদিনলৈ অনুষ্ঠিত হ'ব আৰু ২৭ গৰাকী মন্ত্ৰীৰ দ্বাৰা ভাষণ প্ৰদান কৰা হ'ব যি হৈছে এই আলোচনাচক্ৰৰ ১৫ বছৰীয়া ইতিহাসতেই সবাটোকৈ অধিক সংখ্যাৰ মন্ত্ৰীৰ অংশীদাৰিত্ব।

**নতুন দিল্লী**
**ছেপ্টেম্বৰ 22, 2020**

DISCLAIMER: This is an approximate translation. The original is available in English on MEA’s website and may be referred to as the official press release.